# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-09-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## HEADLINES

১। নগাঁও লোকসভাৰ উপ নিৰ্বাচনৰ বাবে বিজেপি, কংগ্ৰেছ আৰু এ আই ইউ ডি এফ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে কাইলৈৰ পৰা সেৱা সমৰ্পন মাহৰ আয়োজন।

৩। বিশ্ব অ'জন দিৱস উপলক্ষে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ অসম শীতলীকৰণ কাৰ্যপন্থা মুকলি।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত প্ৰৱাসী অসমীয়া দেৱজ্যোতি হাজৰিকাক কাইলৈ পুনৰ সাক্ষ্যদানৰ নিৰ্দেশ।

*আৰু*

৫। এছিয়ান গেমছত পুনৰ পদক জয় কৰিব পাৰিব বুলি লাভলীনা বৰগোহাঁইৰ আশা প্ৰকাশ।

ooooo

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মা, কংগ্ৰেছ প্ৰাৰ্থী, প্ৰাক্তন বিধায়ক শিৰামণি বৰা আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে মনোনয়ন পত্ৰ দাখিল কৰে। আমাৰ নগাঁৰৰ সংবাদদাতাই জনোৱা মতে বাতৰি যুগুতোৱাৰ পৰলৈ মুঠ ১৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। অন্যান্য প্ৰাৰ্থীসকলৰ ভিতৰত তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম, আৰ চি পি আই আৰ ভিৰ ইনামুল হুদা, নৰৰং কংগ্ৰেছ পাৰ্টীৰ শ্বেখ কৰিমুল্লা, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে ফাৰুক খান, মনিৰুল হুছেইন, মুস্তাকিম আলম, চাবিনা য়াছমিন, চাইফুৰ ৰহমান, নজৰুল ইছলাম আৰু প্ৰণৱ কৌশিক আছে।

প্ৰাৰ্থীসকলে দলীয় নেতা-কৰ্মীসকলক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও আজি মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁ ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক শ্বেৰমান আলি আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে, অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা একেৰাহে মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাইলৈৰ পৰা অহা ১৭ অক্টোবৰলৈ সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই সময়ছোৱাত কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে কাইলৈ সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ অসমবাসীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে আহ্বান জনাইছে। অসমৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে অৰিহণা আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই অৱদানৰ স্বীকৃতি স্বৰূপে প্ৰধানমন্ত্ৰী মোদীক সন্মান প্ৰদৰ্শন কৰিবলৈ তেওঁ আহ্বান জনায়।

***বাইট ঃ মুখ্যমন্ত্ৰী***

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা **সেৱা সমৰ্পন মাহ**ৰ অংশস্বৰূপে তামুলপুৰ জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীসমূহ সুচাৰুৰূপে ৰূপায়ণৰ বাবে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত চিমি কৰণে অভিযানৰ অধীনত সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব আৰু কৰণীয় সম্পৰ্কে বিস্তৃতভাৱে বুজাই দিয়ে।

**সেৱা সমৰ্পন মাহ** আয়োজন সন্দৰ্ভত শিৱসাগৰ জিলা প্ৰশাসনেও কাৰ্যসূচী ৰূপায়ণ কৰিব। এই উপলক্ষে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত মৃদুল য়াদৱৰ সভাপতিত্ব অনুষ্ঠিত বৈঠকত কাৰ্যসূচীসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

বিশ্বৰ বিভিন্ন ঠাইৰ লগতে অসমতো আজি বিশ্ব অ'জন দিৱস পালন কৰা হয়। এইবাৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে– 'শীতল ধৰিত্ৰীৰ বাবে বিশ্বজনীন ব্যৱস্থা'।

ৰাজ্যৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ তথা অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমাজৰ উদ্যোগত খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশ্ব অ'জন দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বন আৰু পৰিবেশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অসম শীতলীকৰণ কাৰ্যপন্থা, উন্মোচন কৰে। World Resources Institute Indiaৰ কাৰিকৰী সহযোগিতাত প্ৰস্তুত কৰা এই কাৰ্যপন্থাই ভৱন, উদ্যোগ, শীতলীকৰণ শৃংখল আৰু পৰিবহন খণ্ডত বহনক্ষম তথা কম খৰছী শীতলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব।

অনুষ্ঠানত ভাষণ দি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে উন্নয়নৰ সমান্তৰালভাৱে ঔদ্যোগীকৰণৰো প্ৰয়োজন আছে। কিন্তু উন্নয়নৰ লগে লগে ভৱিষ্যত প্ৰজন্ম সুৰক্ষিত কৰি ৰাখিব পৰা বহনক্ষম বিকাশ আৰু পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। উন্নয়ন আৰু ঔদ্যোগীকৰণৰ সমান্তৰালকৈ পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰাটো অত্যন্ত জৰুৰী বুলি প্ৰকাশ কৰি শ্ৰীমল্লবৰুৱাই বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত পৰিবেশৰ ওপৰত চাপ হ্ৰাস কৰি আগবাঢ়ি যোৱাত গুৰুত্ব আৰোপ কৰে। জলবায়ু পৰিৱৰ্তন, কোনো এটা বিভাগ বা অঞ্চলৰ মাজত সীমাবদ্ধ নহয় বুলি উল্লেখ কৰি

মন্ত্ৰীগৰাকীয়ে চৰকাৰী বিভাগ, শিক্ষানুষ্ঠান, গৱেষণা প্ৰতিষ্ঠান, বিশেষজ্ঞ, স্বেচ্ছাসেৱী সংগঠন তথা নাগৰিকৰ সমন্বিত অংশগ্ৰহণেৰে জলবায়ু কাৰ্যসূচীত গণ আন্দোলনৰ ৰূপ দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

***বাইট- জয়ন্ত মল্লবৰুৱা***

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰৱাসী অসমীয়াৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি প্ৰৱাসী অসমীয়া দেৱজ্যোতি হাজৰিকাই সাক্ষ্য প্ৰদান কৰে। সাক্ষ্যপ্ৰদান কালত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই প্ৰৱাসী অসমীয়া দেৱজ্যোতি হাজৰিকাক প্ৰতি জেৰা কৰে। কিন্তু বাকী অভিযুক্ত পক্ষৰ অধিবক্তাসকলৰ জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাত আদালতে কাইলৈ পুৱা চাৰে ১০ বজাত হাজৰিকাক পুনৰ আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত এই পৰ্যন্ত আদালতত ১১৯ জন সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰিছে।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালন কৰা হ'ব। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ জুবিন দিৱস উদযাপন কৰা হ'ব। কাইলৈ সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, পৰহিলৈ সাংস্কৃতিক অনুষ্ঠান, ১৯ ছেপ্তেম্বৰত গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হ'ব।

সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আজি সোণাপুৰৰ জুবিন ক্ষেত্ৰত জুবিন দিৱসৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এই দিৱসৰ সকলো কাৰ্যসূচী যাতে সুকলমে সম্পন্ন হয় তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে।

***বাইট-বিমল বৰা***

০০০০০

অসমবাসীৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গ কায়িকভাৱে হেৰাই যোৱাৰ অহা ১৯ ছেপ্তেম্বৰত এবছৰ পূৰ্ণ হ'ব। বিগত বছৰটোত অসমবাসীয়ে প্ৰতিমুহূৰ্তে শিল্পীগৰাকীক নতুন ৰূপত উপলব্ধি কৰিছে। সেই উপলব্ধিৰে শিল্পীগৰাকীৰ সৃষ্টি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হ'ব। শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই এয়া আমাৰ বিশেষ প্ৰতিবেদন।

***-ভইচ কাষ্ট-***

০০০০০

দেশৰ লগতে অসমতো পোষন মেলাৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। বিশ্বনাথ জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাষ্ট্ৰীয় পোষন মাহ উপলক্ষে জিলা পৰ্যায়ৰ অভিসৰণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, মহিলা আৰু শিশু বিকাশ, কৃষি, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী আদিৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। মাহজোৰা কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণৰ বাবে জিলা আয়ুক্ত কৰবী শইকীয়াই সকলোকে আহ্বান জনায়।

বঙাইগাঁৱৰ বইটামাৰী সংহত শিশু বিকাশ আঁচনিৰ প্ৰকল্পত আজি পোষণ মেলা অনুষ্ঠিত হয়। এই মেলাত অংগনবাড়ী কেন্দ্ৰৰ কৰ্মীসকলে শিশুৰ বাবে প্ৰয়োজন হোৱা থলুৱা আৰু পুষ্টিকৰ খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰে।

দৰং জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত তথা জিলা প্ৰশাসনৰ সহযোগত ৰাষ্ট্ৰীয় পোষন মাহৰ লগত সংগতি ৰাখি আজিৰে পৰা মঙলদৈত পোষন মেলা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ পশুপালন, পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে পোষন মেলা পৰিদৰ্শন কৰে।

ooooo

যোৰহাট জিলা স্বাস্থ্য সমিতি আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ যৌথ উদ্যোগত আজি যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত ৬০ দিনীয়া আই ই চি অভিযানৰ শুভাৰম্ভ কৰা হয়। এই অভিযানৰ মূল উদ্দেশ্য হৈছে এইচ আই ভি - এইডছ প্ৰতিৰোধ, প্ৰাৰম্ভিক পৰ্যায়ত এই ৰোগৰ পৰীক্ষা তথা এই ৰোগক লৈ সমাজত থকা কুসংস্কাৰসমূহ দূৰ কৰা। এই অভিযানৰ অধীনত জিলাখনৰ এশখন গাওঁ, ৪০ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ২০ খন মহাবিদ্যালয় সামৰি লোৱা হ'ব। আজি উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভক্তিমা ভট্টাচাৰ্য্য, জিলা কুষ্ঠৰোগ বিষয়া ডাঃ নন্দিতা দেৱীকে ধৰি আন কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

ooooo

অহা ১৯ ছেপ্তেম্বৰৰ পৰা জাপানত হ'বলগীয়া এছিয়ান গেমছত পদক অৰ্জন কৰিব বুলি বক্সাৰ লাভলীনা বৰগোহাইয়ে আশাপ্ৰকাশ কৰিছে। জাপানত কঠোৰ অনুশীলন চলাই থকা লাভলীনাই আজি সামাজিক মাধ্যম যোগে এছিয়ান গেমছত পদক অৰ্জনৰ দৃঢ়তা প্ৰকাশ কৰে। বিগত এছিয়ান গেমছত লাভলীনাই ৰূপৰ পদক দখল কৰিছিল। এইবাৰো তেওঁ পদক জয় কৰিব পাৰিব বুলি আশাপ্ৰকাশ কৰে।

ooooo

**সমাপ্ত**